**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-05-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। ভাৰতীয় জনতা পাৰ্টিয়ে আজি দেশৰ বিভিন্ন স্থানত ত্ৰিৰংগ যাত্ৰাৰ কাৰ্যসূচী অনুষ্ঠিত কৰে।
২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ভাৰত আৰু পাকিস্তানৰ মাজত কোনো তৃতীয় পক্ষই মধ্যস্থতা কৰাৰ বিষয়টো নস্যাৎ কৰে।
৩। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ে ২০২৪ চনৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে এম এছ্ এম ই সমূহৰ পৰা আবেদন আমন্ত্ৰণ কৰিছে।
৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে বিগত তিনিটা দশকত ভাৰত আৰু হণ্ডুৰাছৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰিছে। *আৰু*
৫। খেলো ইণ্ডিয়া যুব ক্ৰীড়া সমাৰোহ আজি সামৰণি পৰে।

ooooo

ভাৰতীয় জনতা পাৰ্টিয়ে শ্ৰীনগৰ আৰু দক্ষিণ কাশ্মীৰৰ অনন্তনাগত ত্ৰিৰংগ অভিযান অনুষ্ঠিত কৰে। ই হৈছে অপাৰেচন সিন্দূৰৰ সফল পৰিচালনাৰ উদযাপনৰ এক অংশ, য'ত ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে যোৱা ৭ মে'ত পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদীৰ শিবিৰত আক্ৰমণ কৰিছিল। শ্ৰীনগৰত বিজেপিৰ ত্ৰিৰংগ অভিযানত দলৰ জ্যেষ্ঠ নেতা তথা জম্মু-কাশ্মীৰ ৱাকফ বোৰ্ডৰ অধ্যক্ষ ড০ ডাৰাখশ্বান আন্দ্ৰাবীয়ে নেতৃত্ব দিয়ে। আনহাতে ভালেসংখ্যক বিজেপি কৰ্মীয়ে অংশগ্ৰহণ কৰা অনন্তনাগৰ ত্ৰিৰংগ অভিযানত দলৰ আন এগৰাকী জ্যেষ্ঠ নেতা ছ'ফী ইউছুফে নেতৃত্ব দিয়ে।

গুজৰাটৰ বিভিন্ন অঞ্চলতো আজি অপাৰেচন সিন্দূৰৰ সফলতাৰ পাছত ভাৰতীয় সশস্ত্ৰ বাহিনীৰ বীৰত্বক সন্মান জনোৱাৰ উদ্দেশ্যে বিজেপিয়ে আৰম্ভ কৰা ত্ৰিৰংগ যাত্ৰা অনুষ্ঠিত কৰা হয়। ৰাজ্যখনৰ মতিবাগ টাউন হ'লৰ পৰা শ্বহীদ স্মৃতি সৌধলৈ উলিওৱা ত্ৰিৰংগ যাত্ৰা কেন্দ্ৰীয় মন্ত্ৰী নিমুবেন বাম্ভানীয়াই পতাকা জোকাৰি মুকলি কৰে। গান্ধীনগৰত অনুষ্ঠিত ত্ৰিৰংগ যাত্ৰাত মন্ত্ৰী হৰ্ষ ছাংগৱীয়ে অংশগ্ৰহণ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ভাৰত আৰু পাকিস্তানৰ মাজত কোনো তৃতীয় পক্ষই মধ্যস্থতা কৰাৰ বিষয়টো নস্যাৎ কৰে। তেওঁ কয়, যে ইছলামাবাদৰ সৈতে ভাৰতে দ্বিপাক্ষিক আলোচনা কৰিবলৈহে আগ্ৰহী। নতুন দিল্লীত অনুষ্ঠিত এটা অনুষ্ঠানত ভাগ লৈ সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ড০ জয়শংকৰে কয়, যে ভাৰতে পাকিস্তানৰ সৈতে এই বিষয়ত কথা পাতিব সেই কথা ইতিমধ্যে স্পষ্ট কৰি দিছে। পাকিস্তানে ভাৰতৰ ভূখণ্ড অবৈধভাৱে দখল কৰা পাকিস্তান অধিকৃত কাশ্মীৰ সন্দৰ্ভতহে আলোচনা কৰিব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কয়, যে এয়া ৰাষ্ট্ৰীয় স্বাৰ্থজড়িত বিষয় আৰু ভাৰতে এইক্ষেত্ৰত নিজৰ স্থিতি সলনি কৰা নাই। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইক্ষেত্ৰত স্পষ্টকৈ প্ৰকাশ কৰিছে

যে পাকিস্তানৰ সৈতে কেৱল সন্ত্ৰাসবাদ সন্দৰ্ভতহে আলোচনা কৰিব। তেওঁ লগতে কয়, যে পাকিস্তানৰ হাতত থকা সন্ত্ৰাসবাদীৰ তালিকাখন ভাৰতৰ হাতত গটাই দিয়াৰ লগতে সন্ত্ৰাসবাদীৰ আন্তঃগাঁথনি ধ্বংস কৰাটো প্ৰয়োজন আছে।

ভাৰত আৰু পাকিস্তানৰ মাজত হোৱা সামৰিক সংঘৰ্ষৰ বিষয়ে প্ৰকাশ কৰি ড০ জয়শংকৰে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ আন্তঃগাঁথনিৰ ওপৰত আক্ৰমণ কৰি নতুন দিল্লীয়ে ইছলামাবাদক এক বাৰ্তা দিব বিচাৰিছে। এইক্ষেত্ৰত পাক সেনাবাহিনীয়ে হস্তক্ষেপ কৰাৰ প্ৰয়োজন নাই।

ooooo

ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ চমুকৈ এম এছ এম ই ২০২৪ চনৰ ৰাষ্ট্ৰীয় বঁটাৰ বাবে আবেদন আমন্ত্ৰণ কৰিছে। এটা বিবৃতিযোগে মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে এম এছ এম ই সকলে বিভিন্ন  শাখাত এই মাহৰ ২০ তাৰিখলৈকে তেওঁলোকৰ আবেদনসমূহ পঠিয়াব পাৰিব। বৰ্তমান এম এছ এম ই সকলক বিভিন্ন শিতানত মুঠ ৩৫টা ৰাষ্ট্ৰীয় বঁটা দিয়া হয়। চৰকাৰে এম এছ এম ই উদ্যোগীসকলৰ অসাধাৰণ প্ৰদৰ্শনৰ বাবে তেওঁলোকৰ অৱদানক স্বীকৃতি দিয়ে আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বঁটা প্ৰদান কৰি তেওঁলোকক উৎসাহিত কৰে। বিবৃতিটোত লগতে কোৱা হয় যে উত্তৰ-পূৰ্বাঞ্চলৰ মহিলা উদ্যোগী, অনুসূচীত জাতি আৰু জনজাতিৰ উদ্যোগীসকলৰ নেতৃত্বৰ এম এছ এম ই সমূহক বঁটা দিয়াৰ বিশেষ ব্যৱস্থা আছে।

গৃহ মন্ত্ৰালয়ৰ ৰাষ্ট্ৰীয় বঁটা প'ৰ্টেল আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে আগ্ৰহীসকলে আবেদন কৰিব পাৰিব।

ooooo

সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে আজি কয়, যে বৈশাখা বুদ্ধ পূৰ্ণিমা কেৱল ধৰ্মীয় উৎসৱেই নহয়, বৰঞ্চ ই হৈছে সভ্যতাৰ অনুষ্ঠান। নতুন দিল্লীত  বৈশাখা বুদ্ধ পূৰ্ণিমা উদযাপনৰ অনুষ্ঠানত ভাষণ দি তেওঁ কয়, যে বুদ্ধৰ আদৰ্শ হৈছে এক সাৰ্বজনীন সত্য যিয়ে বিশ্বৰ লাখ লাখ লোকৰ অন্তৰত বিশেষ স্থান অধিকাৰ কৰিছে। শ্ৰীশেখাৱটে কয়, যে ভগৱান বুদ্ধৰ উত্তৰাধিকাৰীসকল কেৱল তেওঁৰ পবিত্ৰ স্থানৰ ৰক্ষকে নহয়, তেওঁ দি থৈ যোৱা শিক্ষা আৰু কালজয়ী বাৰ্তাৰো প্ৰচাৰক। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে যদিও বুদ্ধৰ শিক্ষাসমূহৰ জন্মস্থান ভাৰত, এই শিক্ষাই কিন্তু সমগ্ৰ বিশ্ব ভ্ৰমণ কৰি এছিয়া আৰু ইয়াৰ বাহিৰৰ জনসাধাৰণৰ মাজত শান্তি আৰু জাগৰণ কঢ়িয়াই আনিছে। তেওঁ কয়, যে শিল্প, স্থাপত্য আৰু আন্তঃৰাষ্ট্ৰীয় আলোচনাৰ দ্বাৰা বুদ্ধৰ ঐতিহ্য সংৰক্ষণ তথা প্ৰচাৰ কৰাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

অনুষ্ঠানত ভাষণ দি সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে বুদ্ধৰ শিক্ষাই ধৰ্মক অতিক্ৰম কৰে আৰু সেইবোৰ মানি চলাটো ভাৰতীয় হিচাপে আমাৰ কৰ্তব্য। সমন্বয় আৰু সাংস্কৃতিক সংৰক্ষণৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে শান্তিপূৰ্ণ জীৱন শৈলী আৰু আভ্যন্তৰীণ শক্তিৰ বাবে বুদ্ধৰ শিক্ষা অপৰিহাৰ্য।

এই অনুষ্ঠানৰ লগত সংগতি ৰাখি দুখন প্ৰদৰ্শনীৰো আয়োজন কৰা হয়। এই প্ৰদৰ্শনী দুখন ভিয়েটনামত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ ভেচাক দিৱস ২০২৫ উদযাপনৰ অংশ আছিল। এই অনুষ্ঠানত এছিয়াত বুদ্ধ ধৰ্ম্মাৰ প্ৰসাৰ সম্পৰ্কীয় এখন তথ্যচিত্ৰ আৰু বুদ্ধদেৱৰ পবিত্ৰ ধ্বংসাৱশেষৰ ওপৰত নিৰ্মিত এখন ছবিও প্ৰদৰ্শন কৰা হয়।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি বিগত তিনিটা দশকত ভাৰত আৰু হণ্ডুৰাছৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰিছে। দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য ৩০০ মিলিয়ন ডলাৰলৈ বৃদ্ধি হৈছে বুলি নতুন দিল্লীত হণ্ডুৰাছৰ দূতাবাস মুকলি অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি হণ্ডুৰাছে বিবৃতি প্ৰকাশ কৰাৰ লগতে ভাৰতৰ সৈতে দেশখনে সহমৰ্মিতা প্ৰকাশ কৰিছে বুলি ড০ জয়শংকৰে জানিবলৈ দিয়ে। নতুন দিল্লীত হণ্ডুৰাছৰ দূতাবাস মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বাণিজ্যৰ সৈতে জড়িত লোকসকলক এই দূতাবাসে সুবিধা প্ৰদান কৰিব। তেওঁ কয়, যে বাণিজ্য, বিনিয়োগ আৰু প্ৰযুক্তিগত সহযোগিতাই দুয়োখন দেশৰ মাজত অৰ্থনৈতিক সম্পৰ্ক গঢ়ি তুলিছে। ভাৰত আৰু হণ্ডুৰাছে ফাৰ্মাচিউটিকেল, বস্ত্ৰ, অট'মোবাইল, যন্ত্ৰপাতি আদি বাণিজ্য কৰাৰ লগতে ভাৰতে হণ্ডুৰাছৰ পৰা কফি, কাঠ আৰু চামৰাৰ সামগ্ৰী আমদানি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দুয়োখন দেশৰ মাজত কৃষি, পুনৰ ব্যৱহাৰযোগ্য শক্তি, স্বাস্থ্যৰ যতন, তথ্য প্ৰযুক্তি আৰু নিৰ্মাণ ক্ষেত্ৰত ব্যৱসায়িক লেনদেন কৰা দিশতো গুৰুত্ব আৰোপ কৰে। শ্ৰীজয়শংকৰে হণ্ডুৰাছৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এনৰিক ৰেইনা গাৰ্চিয়াৰ সৈতে যুটীয়াভাৱে দূতাবাস মুকলি কৰে।

০০০০০

লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে আজি বিহাৰৰ দ্বাৰভঙাত অনুসূচীত জাতি, পিছপৰা শ্ৰেণী আৰু অতি পিছপৰা শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে।

বিৰোধী নেতাগৰাকীয়ে আৰম্ভণিতে দ্বাৰভঙাস্থিত আম্বেদকাৰ হোষ্টেলৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ কথা আছিল যদিও প্ৰশাসনে এইক্ষেত্ৰত অনুমতি দিয়া নাছিল। অৱশ্যে বিহাৰ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ৰাজেশ ৰাম আৰু অন্যান্য নেতাসকলে হোষ্টেলটোলৈ গৈ প্ৰৱেশদ্বাৰ মুকলি কৰিবলৈ চেষ্টা কৰে। আৰক্ষীয়ে হোষ্টেল চৌহদৰ ভিতৰত বাহনৰ প্ৰৱেশ নিষেধ কৰাত বিৰোধী দলপতিগৰাকীয়ে খোজকাঢ়িয়ে হোষ্টেলত উপস্থিত হয় আৰু শিক্ষাৰ্থীসকলৰ সৈতে বহু সময় ধৰি মত বিনিময় কৰে।

প্ৰশাসনে কংগ্ৰেছ্ দলক প্ৰথমে টাউন হ'লত অনুষ্ঠান আয়োজন কৰিবলৈ অনুমতি প্ৰদান কৰিছিল। ইপিনে বিৰোধী দলপতি গান্ধীয়ে কয়, যে যদিহে কংগ্ৰেছৰ চৰকাৰ গঠন হয়, তেন্তে অনুসূচিত জাতি, অনুসূচিত জনজাতি, পিছপৰা শ্ৰেণী আৰু অতি পিছপৰা শ্ৰেণীয়ে তেওঁলোকৰ অধিকাৰ লাভ কৰিব।

০০০০০

ব্ৰিটিছ্ ৰাজনৈতিক টিপ্পনীকাৰ আৰু লেখক ডেভিড ভান্সে ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী অভিযান অপাৰেচন সিন্দূৰক সমৰ্থন কৰিছে। এটা সংবাদ সংস্থাৰ সৈতে হোৱা সাক্ষাৎকাৰত তেওঁ পাকিস্তানক এখন ব্যৰ্থ, সন্ত্ৰাসবাদী আৰু সন্ত্ৰাসবাদীৰ ঘাটি ৰাষ্ট্ৰ বুলি অভিহিত কৰে। শ্ৰীভান্সে পেহেলগামত নিৰীহ পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ বিষয়টোত পশ্চিমীয়া সংবাদমাধ্যমে একপক্ষীয়ভাৱে বাতৰি পৰিৱেশন কৰা কাৰ্যক গৰিহণা দিয়ে। শ্ৰীভান্সে সন্ত্ৰাসবাদীসকলক বন্দুকধাৰী বুলি কোৱা বিষয়টোৰো তীব্ৰ সমালোচনা কৰি এই বুলি অভিযোগ কৰে যে পাকিস্তানে সন্ত্ৰাসবাদীসকলক সহায় কৰি আহিছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত অৱস্থিত সৰ্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানখনত চিকিৎসাধীন হৈ থকা চত্তিশগড় আৰু তেলেংগানা

সীমান্তৰ কাৰেগুট্টা পাহাৰত যোৱা ২১ দিন ধৰি চলি থকা নক্সাল বিৰোধী অভিযানত আঘাতপ্ৰাপ্ত নিৰাপত্তা বাহিনী লোকসকলৰ স্বাস্থ্যৰ বুজ লয়।

০০০০০

খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহৰ সামৰণি অনুষ্ঠান আজি সন্ধিয়া চাৰে ৬ বজাৰ পৰা বিহাৰৰ পাটনাৰ কংকৰবাঘৰ পাতলিপুত্ৰ ক্ৰীড়া প্ৰাংগণত অনুষ্ঠিত হৈছে। যোৱা ৪ মে’ত এই ক্ৰীড়া সমাৰোহ আৰম্ভ হৈছিল।

মহাৰাষ্ট্ৰই ৫৮টা সোণ আৰু ৪৭টা ৰূপৰ পদকসহ মুঠ ১৫৮টা পদকেৰে সামগ্ৰিকভাৱে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। হাৰিয়ানাই ৩৯টা সোণ আৰু ২৭টা ৰূপৰ পদকসহ মুঠ ১১৭টা পদকেৰে দ্বিতীয় স্থানত আছে। আনহাতে ২৪টা সোণ আৰু ১২টা ৰূপৰ পদকসহ মুঠ ৬০টা পদকেৰে ৰাজস্থানে তৃতীয় স্থান দখল কৰে।

প্ৰতিযোগিতাৰ আজি অন্তিম দিনা পাটনা আৰু ৰাজগীড়ত বাস্কেটবল, মল্লযুঁজ আৰু ফেঞ্চিঙৰ পদকৰ বাবে নিৰ্ণায়ক খেলসমূহ অনুষ্ঠিত হয়। আজি অনুষ্ঠিত ল’ৰাৰ বাস্কেটবলত উত্তৰ প্ৰদেশে ৰাজস্থানক পৰাস্ত কৰি সোণৰ পদক দখল কৰে। ছোৱালীৰ শিতানত কৰ্ণাটকে হাৰিয়ানাক পৰাস্ত কৰি সোণৰ পদক দখল কৰে। হাৰিয়ানাই  ফেন্সিঙৰ তিনিওখন চূড়ান্ত খেলতে সোণৰ পদক অৰ্জন কৰে।

০০০০০

সমাপ্ত